**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সন্ত্ৰাসবাদ সন্দৰ্ভত দ্বৈত মান কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি চাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ অংশ হিচাপে প্ৰকাশিত টিয়ানজিন ঘোষণা পত্ৰই সন্ত্ৰাসবাদৰ বিৰুদ্ধে স্পষ্ট আৰু ঐক্যবদ্ধ হোৱাৰ বাৰ্তা দিছে।

৩। আফগানিস্তানৰ জালালাবাদ নগৰৰ সমীপৰ কুনাৰ প্ৰদেশত হোৱা ভূমিকম্পত কমেও ২৫০ জন লোকৰ প্ৰাণহানি হৈছে।

৪। জম্মু-কাশ্মীৰত প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে জম্মুৰ সকলো চৰকাৰী আৰু ব্যক্তিগত বিদ্যালয় বন্ধ ঘোষণা কৰিছে।

আৰু

৫। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি নতুন দিল্লীত ইণ্ডিয়া ম'বাইল কংগ্ৰেছ- IMC25 এপ্লিকেচন মুকলি কৰে।

০০০০০০০

সন্ত্ৰাসবাদ সন্দৰ্ভত দ্বৈত মান কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। চীনৰ টিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনত দিয়া বিবৃতিত প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদক মানৱতাৰ বিৰুদ্ধে বৃহৎ ভাবুকি বুলি উল্লেখ কৰাৰ লগতে যিকোনো প্ৰকাৰৰ সন্ত্ৰাসবাদ গৰিহণাযোগ্য বুলি মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে বিগত চাৰিটা দশক ধৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দি আহিছে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়োৱা ৰাষ্ট্ৰসমূহৰ প্ৰতি শ্ৰী মোদীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, যে চাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰ হিচাপে ভাৰতে অত্যন্ত ইতিবাচক ভূমিকা পালন কৰিছে। শ্ৰী মোদীয়ে কয়, যে এই সংস্থাৰ বাবে ভাৰতৰ লক্ষ্য আৰু নীতি তিনিটা গুৰুত্বপূৰ্ণ স্তম্ভৰ ওপৰত আধাৰিত আৰু সেয়া হ'ল – নিৰাপত্তা, যোগাযোগ আৰু সুযোগ-সুবিধা। প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনৰ সময়ছোৱাতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙৰ সৈতে দৃষ্টিভংগী আৰু মতামত বিনিময় কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে সুকীয়াকৈ বৈঠকত মিলিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে ৰাষ্ট্ৰপতি পুটিনৰ সৈতে বাৰ্তালাপ সদায়ে অন্তৰ্দৃষ্টিসম্পন্ন বুলি মন্তব্য কৰে। শ্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙেও কালি ভাৰত আৰু চীনৰ দ্বিপাক্ষিক সম্পৰ্ক পুনৰ উন্নত কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক সম্পৰ্ক অটুট ৰখাৰ বাবে দুয়োখন দেশৰ মাজৰ সীমান্ত অঞ্চলত শান্তি আৰু স্থিতাৱস্থা বাহাল ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সীমান্তত শান্তি আৰু স্থিৰতা বজাই ৰখাতো ভাৰত-চীন সম্পৰ্কৰ বাবে এটা বীমা নীতিৰ দৰে বুলি প্ৰধানমন্ত্ৰীয়ে চীনৰ ৰাষ্ট্ৰপতিগৰাকীক স্পষ্ট কৰি দিয়ে। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয়, যে ২০২০ চনৰ জুনত গলৱান উপত্যকাত ভাৰত আৰু চীনৰ সেনাৰ মাজৰ সংঘৰ্ষক লৈ সৃষ্টি হোৱা উত্তেজনামূলক পৰিস্থিতিৰ পাছত বিগত মাহ কেইটাত দুয়োখন দেশে সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। শ্বি ঝিনপিঙৰ সৈতে হোৱা এই আলোচনাত শ্ৰীমোদীয়ে সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি ইয়াক প্ৰতিহত কৰাৰ বাবে পাৰস্পৰিক সমৰ্থন আৰু সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু চীনৰ মাজত থকা মতভেদসমূহ বিবাদত পৰিণত হোৱা উচিত নহয় বুলি দোহাৰে। তেওঁলোকে লগতে চলিত মাহৰ আৰম্ভণিতে দুয়োখন দেশৰ বিশেষ প্ৰতিনিধিৰ আলোচনাৰ অন্তত লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তত সহমত প্ৰকাশ কৰি এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সন্মত হয়। দুয়োগৰাকী নেতাই কৈলাশ-মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰা আৰু এই ক্ষেত্ৰত পৰ্যটক ভিছাৰ ব্যৱস্থা কৰাৰ ওপৰতো

গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বিষয় আৰু প্ৰত্যাহ্বানসমূহ বিশেষকৈ সন্ত্ৰাসবাদ আৰু মুক্ত বাণিজ্যৰ ক্ষেত্ৰত বহুপাক্ষিক মঞ্চৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি চীনৰ তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ পূৰ্ণাংগ সত্ৰত ভাষণ দিব। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে তিয়ানজিনৰ সংবাদদাতাক জনোৱা মতে, শ্ৰীমোদীয়ে তেওঁৰ ভাষণত আঞ্চলিক সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগী সন্দৰ্ভত বক্তব্য আগবঢ়াব।

০০০০০০০০০

চীনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ অংশ হিচাপে অনুষ্ঠিত ৰাষ্ট্ৰৰ মুৰব্বীসকলৰ সন্মিলনৰ পাছত আজি প্ৰকাশ পোৱা টিয়ানজিন ঘোষণা পত্ৰই সন্ত্ৰাসবাদৰ বিৰুদ্ধে স্পষ্ট আৰু ঐক্যবদ্ধ হোৱাৰ বাৰ্তা দিছে। ইয়াৰ লগতে আঞ্চলিক সহযোগিতা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতৰ বৰ্ধিত ভূমিকাকো স্বীকৃতি দিয়া হৈছে। শেহতীয়াকৈ পেহেলগামত যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত সদস্য ৰাষ্ট্ৰসমূহে তীব্ৰ গৰিহণা দিয়াৰ লগতে নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। এই ঘোষণাত লগতে এনেধৰণৰ আক্ৰমণৰ ঘটনাৰ অভিযুক্ত, সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক আৰু সংগঠক সকলোৱে জবাবদিহি হোৱা উচিত বুলি কোৱা হৈছে। সন্ত্ৰাসবাদ বিচ্ছিন্নতাবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত অটল স্থিতি অক্ষুণ্ণ ৰখাৰ প্ৰতিশ্ৰুতি দৃঢ়তাৰে প্ৰকাশ কৰি এই সদস্য ৰাষ্ট্ৰসমূহে উদ্দেশ্য প্ৰণোদিতভাৱে কৰা এনেধৰণৰ কাৰ্যৰ গৰিহণা দিয়াৰ লগতে এই ধৰণৰ ভাবুকি প্ৰতিহত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ সাৰ্বভৌম অধিকাৰ আৰু দায়িত্বৰ ওপৰত আলোকপাত কৰে। এই ঘোষণাত সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদক গৰিহণা দিয়াৰ লগতে ইয়াৰ বিৰুদ্ধে যুঁজত দ্বৈত মান বা দ্বৈত মতবাদ পোষণ কৰাটো গ্ৰহণযোগ্য নহয় বুলি গুৰুত্ব আৰোপ কৰা হৈছে। উদ্ভাৱন আৰু আঞ্চলিক সহযোগিতাৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ প্ৰতি সঁহাৰি জনাই এই ঘোষণাত নতুন দিল্লীত যোৱা ৩ৰ পৰা ৫ এপ্ৰিললৈ আয়োজিত পঞ্চম চাংহাই সহযোগিতা সংস্থাৰ ষ্টাৰ্টআপ মঞ্চৰ সফল আয়োজনকো আদৰণি জনোৱা হয়। তদুপৰি ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ চাংহাই সহযোগিতা সংস্থাৰ অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে চলি থকা সাংস্কৃতিক আৰু মানৱীয় আদান-প্ৰদানক ঘোষণা পত্ৰৰ জৰিয়তে প্ৰশংসা কৰা হয়। টিয়ানজিন ঘোষণা সন্ত্ৰাসবাদৰ বিৰুদ্ধে সামুহিক প্ৰচেষ্টাক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হোৱাৰ লগতে চাংহাই সহযোগিতা সংস্থাৰ জৰিয়তে আঞ্চলিক সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত ক্ৰমবৰ্ধমান গুৰুত্বকো প্ৰতিফলিত কৰিছে।

০০০০০০০০০

আফগানিস্তানৰ জালালাবাদ নগৰৰ সমীপৰ কুনাৰ প্ৰদেশত কালি হোৱা এটা ভূমিকম্পত কমেও ২৩০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫০০ জন লোক আহত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-তাত্বিক সমীক্ষা মতে ৰিখ্‌ট্ৰাৰ স্কেলত ৬ প্ৰাবল্যৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ নানগাৰহাৰ প্ৰদেশৰ জালালাবাদ নগৰৰ ২৭ কিলোমিটাৰ পূব-উত্তৰ-পূবত বুলি কোৱা হৈছে। কুনাৰ দুৰ্যোগ্য ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে নুৰ্গুল, চোকী, ৱাতপুৰ, মানোগি আৰু চানাডাৰা জিলাত কমেও ২৩০ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ৫০০ জন আহত হৈছে। পাকিস্তান আৰু ভাৰতৰ ৰাজধানী দিল্লীৰ লগতে উত্তৰ-ভাৰতৰ বহু ঠাইত এই জোকাৰণি অনুভূত হয়।

০০০০০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কাইলৈ গুৱাহাটীত এখন কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত হ'বলগীয়া এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ।

০০০০০০০

জম্মু-কাশ্মীৰত শেহতীয়া প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে জম্মুৰ সকলো চৰকাৰী আৰু ব্যক্তিগত বিদ্যালয় বন্ধ ঘোষণা কৰিছে। জম্মুৰ বিদ্যালয় শিক্ষা সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি প্ৰতিকুল বতৰ আৰু ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত

ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ জাৰি কৰা হৈছে। প্ৰশাসনে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু বতৰ উন্নত হ'লেই বিদ্যালয়সমূহ পুনৰ খোলাৰ কথা বিবেচনা কৰা হ'ব। তদুপৰি জম্মু আৰু কাশ্মীৰ বিদ্যালয় শিক্ষা ব'ৰ্ডে দশম আৰু একাদশ শ্ৰেণীৰ আজিৰ সকলো পৰীক্ষা স্থগিত ঘোষণা কৰিছে।

উল্লেখযোগ্য যে ডাৱৰ বিস্ফোৰণ আৰু আকস্মিক বানৰ ক্ষয়-ক্ষতি তথা সম্প্ৰতি চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানৰ পৰ্যালোচনাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি জম্মুলৈ যাব। শ্ৰীশ্বাহে ভূমিস্খলনৰ ফলত বৈষ্ণোদেৱী মন্দিৰলৈ যোৱা ভালেসংখ্যক তীৰ্থযাত্ৰীৰ মৃত্যু হোৱা কাটৰাৰ পৰিস্থিতি পৰ্যালোচনা কৰিব। তেওঁ জম্মুৰ ৰাজ ভৱনত বান সাহায্য সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি নতুন দিল্লীত ইণ্ডিয়া ম'বাইল কংগ্ৰেছ- IMC25 এপ্লিকেচন মুকলি কৰে। কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত ব্যৱস্থা আৰু উন্নত নেটৱৰ্কিঙৰ লগতে বিভিন্ন সা-সুবিধা থকা এই এপ্লিকেচনে প্ৰদৰ্শনীখনত দৰ্শকক বিশেষ সুবিধা প্ৰদান কৰিব। উল্লেখযোগ্য যে ইণ্ডিয়া ম'বাইল কংগ্ৰেছৰ নৱম সংস্কৰণ অহা ৮ৰ পৰা ১১ অক্টোবৰলৈ নতুন দিল্লীত য়শোভূমি কনভেনচন চেণ্টাৰত অনুষ্ঠিত হ'ব। এইবাৰৰ এই প্ৰদৰ্শনীৰ বিষয় হ'ল ৰূপান্তৰৰ বাবে উদ্ভাৱন।

০০০০০০০০০

দেশৰ মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীতকৈ কোনেও যে ভালদৰে অৰ্থনীতি পৰিচালনা কৰিব নোৱাৰে সেয়াই প্ৰমাণ কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে মন্তব্য কৰিছে। নতুন দিল্লীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি শ্ৰীৰিজিজুৱে কয়, যে বিশ্বৰ শীৰ্ষ অৰ্থনীতবিদসকলে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় অৰ্থনীতিক সৰ্বোৎকৃষ্টভাৱে আগবঢ়াই নিছে বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে দেশক আত্মনিৰ্ভৰ কৰি তুলিবলৈ মেক ইন ইণ্ডিয়াৰ প্ৰসাৰ তথা স্বদেশী সামগ্ৰীৰ ব্যৱহাৰত গুৰুত্ব দিব লাগিব বুলি মন্তব্য কৰে।

০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ সপ্তম অধিৱেশন কাইলৈ আৰম্ভ হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশন শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হ'ব। তাৰ পাছতে প্ৰশ্নোত্তৰ পৰ্ব অনুষ্ঠিত হ'ব। অধিৱেশনত ৰাজহুৱা স্বাৰ্থজড়িত বহু আলোচনা অনুষ্ঠিত হোৱাৰ লগতে কেইবাখনো চৰকাৰী বিধেয়ক উত্থাপন কৰা হ'ব আৰু কেইবাটাও চৰকাৰী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। অধিৱেশনত বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদন আৰু বিধানসভা সমিতিৰ প্ৰতিবেদনো উত্থাপন কৰা হ'ব।

০০০০০০০০০

সমাপ্ত